# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-09-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামগ্ৰী আৰু সেৱাকৰ ব্যৱস্থাৰ যুক্তিসংগতকৰণক স্বাধীনতা লাভৰ পাছৰে পৰা সৰ্ববৃহৎ সংস্কাৰ বুলি অভিহিত কৰিছে।

২। সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন কৰা হৈছে।

৩। সৰস মেলাৰ ২৭ সংখ্যক সংস্কৰণ আজি নতুন দিল্লীত আৰম্ভ হ'ব।

৪। ৰাছিয়াৰ সৈতে সংঘৰ্ষৰ অৱসানৰ পাছত পাশ্চাত্যৰ ২৬ খন দেশ ইউক্ৰেইনত সৈন্য বাহিনী নিয়োগ কৰিবলৈ অংগীকাৰ বদ্ধ হৈছে।

*আৰু*

৫। এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে কালি মালয়েছিয়াক ৪-১ গলত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামগ্ৰী আৰু সেৱাকৰ জি এছ্ টি ব্যৱস্থাৰ যুক্তিসংগতকৰণক স্বাধীনতা লাভৰ পাছৰে পৰা সৰ্ববৃহৎ সংস্কাৰ বুলি অভিহিত কৰিছে। নতুন দিল্লীত কালি ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰাপক শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত-বিনিময় কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে এই পদক্ষেপে বিভিন্ন সামগ্ৰীৰ ওপৰত আৰোপিত কৰ হ্ৰাস কৰি আৰু ৰুটি আৰু জীৱনৰক্ষী ঔষধৰ ওপৰত আৰোপিত কৰ বিলুপ্ত কৰি মধ্যবিত্তক আৰ্থিকভাৱে সকাহ প্ৰদান কৰিব বুলি আশা কৰা হৈছে। তেওঁ কয়, যে ২২ ছেপ্তেম্বৰত নৱৰাত্ৰিৰ প্ৰথম দিনৰ পৰাই এই দুতৰপিয়া কৰ ব্যৱস্থা প্ৰযোজ্য হ'ব আৰু ইয়াৰ সুবাদত এইবেলি ধনতেৰশ অধিক সজীৱ হৈ উঠিব।

০০০০০

সমগ্ৰ দেশত আজি শিক্ষক দিৱস উদযাপন কৰা হৈছে। শিক্ষাবিদ তথা প্ৰাক্তন ৰাষ্ট্ৰপতি ডং সৰ্বেপল্লী ৰাধাকৃষ্ণণৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি প্ৰতি বছৰে ৫ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটাসমূহ প্ৰদান কৰিব। নিজৰ সমৰ্পন আৰু প্ৰতিশ্ৰুতিবদ্ধতাৰে শিক্ষাৰ মান উন্নত কৰা আৰু শিক্ষাৰ্থীসকলৰ জীৱনত গভীৰ প্ৰভাৱ পেলোৱা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ স্বীকৃতি স্বৰূপে এই বাৰ্ষিক বঁটা প্ৰদান কৰা হয়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত এইবেলি ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা লাভ কৰা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে মত-বিনিময় কৰে। ভাৰতীয় সমাজত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি থকা স্বাভাৱিক সন্মানৰ ভাৱনাৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে তেওঁলোকক ৰাষ্ট্ৰ গঠনৰ দৃঢ় শক্তি বুলি অভিহিত কৰে। তেওঁ কয়, যে শিক্ষকসকলক সন্মান কৰাটো মাথোঁ এটা প্ৰথায়ে নহয়, বৰং তেওঁলোকৰ জীৱন জোৰা নিষ্ঠা আৰু প্ৰভাৱৰ স্বীকৃতি।

প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কৃতী শিক্ষক বঁটা প্ৰাপক শিক্ষক-শিক্ষয়িত্ৰীসকলক অভিনন্দন জনায়। তেওঁ কয়, যে এই শিক্ষক-শিক্ষয়িত্ৰীসকলক তেওঁলোকৰ কঠোৰ পৰিশ্ৰম আৰু অভূতপূৰ্ব নিষ্ঠাৰ স্বীকৃতি স্বৰূপে এই বঁটাৰ বাবে বাছনি কৰা হৈছে। শ্ৰীমোদীয়ে কয়, যে শিক্ষক-শিক্ষয়িত্ৰীসকলে অকল বৰ্তমানকে নহয় বৰং ৰাষ্ট্ৰৰ ভৱিষ্যতকো গঢ় দিয়ে। ৰাষ্ট্ৰ গঠনত তেওঁলোকৰ ভূমিকা ৰাষ্ট্ৰীয় সেৱাৰ বিভিন্ন প্ৰকাৰৰ ভিতৰত অন্যতম বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে কয়, যে দেশৰ বিভিন্ন অংশত এই বছৰৰ বঁটা প্ৰাপকসকলৰ দৰে অগণন শিক্ষক-শিক্ষয়িত্ৰীয়ে নিষ্ঠা, একাগ্ৰতা, প্ৰতিশ্ৰুতিবদ্ধতা আৰু সেৱাৰ মনোভাৱেৰে শিক্ষা আগবঢ়াই আহিছে।

ooooo

বিশ্বৰ বিভিন্ন ঠাইত বাস কৰা কেৰালাৰ লোকসকলে আজি থিৰু ওনাম উৎসৱ উদযাপন কৰিছে। থিৰু ওনাম হ'ল কেৰালাৰ সৰ্ববৃহৎ উৎসৱ আৰু সমগ্ৰ ৰাজ্যখন উৎসৱমুখৰ হৈ থকাৰ বাতৰি আহিছে। ন্যায়পৰায়ণ আৰু উপকাৰী শাসক হিচাপে পৰিচিত প্ৰজাৰ মৰমৰ ৰজা মহাবলী ঘৰলৈ উভতি অহা দিনটোৰ সৈতে সংগতি ৰাখি এই উৎসৱ উদযাপন কৰা হয়। জাতি-ধৰ্ম নিৰ্বিশেষে উদযাপিত থিৰু ওনাম ১১ দিন পূৰ্বে আথম উৎসৱৰ দ্বাৰা আৰম্ভ হৈছিল। আজিৰ থিৰু ওনাম এই ১১ দিনীয়া উদযাপনৰ আটাইতকৈ উল্লেখযোগ্য দিন। এই উপলক্ষে কেৰালাত চৰকাৰী সংস্থা, সাংস্কৃতিক সংগঠন আৰু স্থানীয় সম্প্ৰদায়সমূহে ভালেমান সাংস্কৃতিক কাৰ্যসূচী আৰু পৰম্পৰাগত ক্ৰীড়াৰ আয়োজন কৰিছে। ৰাজ্যখনৰ প্ৰধান মন্দিৰসমূহত আজি বিশেষ পূজা-অৰ্চনাৰ দিহা কৰা হৈছে বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ওনাম উপলক্ষে দেশবাসী বিশেষকৈ কেৰালাৰ জনসাধাৰণক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে এই উৎসৱ কেৰালাৰ চহকী সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰাৰ অনন্য নিদৰ্শন। তেওঁ কয়, যে এই উৎসৱে জনসাধাৰণক সাংস্কৃতিক ধৰ্মীয় বিশ্বাসৰ উপৰি একতা, সহযোগিতা আৰু সমন্বয়ৰ গুৰুত্বৰ বিষয়ে সোঁৱৰাই দিয়ে। ওনাম দেশৰ কৃষকসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশৰ উপলক্ষ বুলিও ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

ooooo

সৰস মেলাৰ ২৭ সংখ্যক সংস্কৰণ আজি নতুন দিল্লীত আৰম্ভ হ'ব। এই মেলাই গ্ৰামাঞ্চলৰ মহিলাসকলক নিজৰ সামগ্ৰী প্ৰদৰ্শন আৰু বিক্ৰীৰ বাবে গুৰুত্বপূৰ্ণ বিপণন মঞ্চ প্ৰদান কৰি আহিছে। দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ আত্মসহায়ক গোটৰ ৪০০ৰো অধিক মহিলাই এই মেলাত অংশগ্ৰহণ কৰিব। এই বছৰ এই মেলাৰ মূল বিষয়বস্তু হৈছে- লাখপতি দিদিৰ বিকাশ - গ্ৰামাঞ্চলৰ মহিলাসকলক সফল উদ্যমী আৰু ভোকেল ফ'ৰ

লোকেল অভিযানৰ হোতা হ'বলৈ সবল কৰি তোলা। প্ৰথমবাৰৰ বাবে এইবেলি লাখপতি দিদিসকলে সম্পূৰ্ণৰূপে সৰস মেলাৰ দায়িত্ব পালন কৰিব। ২২ ছেপ্তেম্বৰত এই মেলাৰ সামৰণি পৰিব।

ooooo

খাদ্য আৰু ৰাজহুৱা বিতৰণ বিভাগে কেন্দ্ৰীয় মন্ত্ৰী প্ৰহ্লাদ যোশীক ৰাজহুৱা বিতৰণৰ কাম-কাজ সন্দৰ্ভত দেশজোৰা ক্ষেত্ৰ পৰ্যায়ৰ এক বিস্তৃত মূল্যায়ন প্ৰতিবেদন দাখিল কৰিছে। দেশৰ **১১২**খন অভিলাষী জিলাত এই মূল্যায়ন কৰা হৈছে। ইয়াৰ লক্ষ্য হৈছে ক্ৰয়, সংৰক্ষণ আৰু অভিযোগ নিষ্পত্তিকে ধৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ মূল দিশসমূহ সুচল কৰা। গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই মূল্যায়নত ডিপো আৰু ক্ৰয় কেন্দ্ৰসমূহ ভ্ৰমণ তথা হিতাধিকাৰী আৰু অভিযোগ আবেদনকাৰীৰ সৈতে হোৱা মত বিনিময়ত গুৰুত্ব দিয়া হৈছিল। মূল্যায়নত **২৭৭**খন সুলভ মূল্যৰ দোকান সামৰি লোৱা হৈছিল। ব্যৱস্থাগত উন্নতিৰ সুযোগ চিনাক্ত কৰিবলৈ মূল্যায়নৰ সময়চোৱাত জিলা প্ৰশাসন আৰু বিষয়াসকলৰ সৈতে আলোচনা কৰা হয়। মন্ত্ৰালয়ে কয়, যে বিভাগটোৱে এতিয়া সেৱা প্ৰদান ব্যৱস্থা শক্তিশালী কৰা, স্থানীয়ভাৱে সজাগতা অভিযান আৰম্ভ কৰা আৰু মূল্যায়নত সামৰি লোৱা জিলাসমূহৰ আন্তঃগাঁথনি আৰু মজুতকৰণৰ সুবিধাসমূহ উন্নীতকৰণত গুৰুত্ব আৰোপ কৰিব। অভিযোগ নিৰাময়ৰ বাবে বিভাগে ৰাজ্য চৰকাৰসমূহৰ সৈতে ঘনিষ্ঠভাৱে সহযোগিতা কৰিব আৰু সময়োপযোগী আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ নিশ্চিত কৰিবলৈ কৃত্ৰিম বুদ্ধিমত্তাভিত্তিক ব্যৱস্থা ব্যৱহাৰ কৰি হিতাধিকাৰীৰ মতামত সংগ্ৰহ কৰিব।

ooooo

ভূটানৰ প্ৰধানমন্ত্ৰী শ্বেৰিং ট'বগেই কালি সপত্নীক বিহাৰৰ বুদ্ধ গয়াত থকা পৱিত্ৰ মহাবোধি মন্দিৰ দৰ্শন কৰে। শ্ৰীট'বগেই ইউনেস্কৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ ৰূপে স্বীকৃতিপ্ৰাপ্ত মন্দিৰটোত প্ৰাৰ্থনা কৰে। ধৰ্মীয় বিশ্বাস মতে ভগৱান বুদ্ধই এই স্থানতেই জ্ঞান লাভ কৰিছিল।

প্ৰধানমন্ত্ৰী শ্বেৰিঙৰ ভ্ৰমণে ভাৰত আৰু ভূটানৰ মাজত থকা সাংস্কৃতিক বিনিময়, মৈত্ৰী আৰু পাৰস্পৰিক সন্মানৰ স্বাশ্বত বান্ধোনক প্ৰতিফলিত কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, চাৰিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভ্ৰমণকালত গঞা আৰু অযোধ্যাত বিভিন্ন কাৰ্যসূচীত অংশ ল'ব। তাৰ পৰা প্ৰধানমন্ত্ৰীগৰাকী নতুন দিল্লীলৈ যাব। শ্ৰীশ্বেৰিঙে নতুন দিল্লীত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰক সাক্ষাৎ কৰিব।

ooooo

পাশ্চাত্যৰ ২৬ খন দেশে ৰাছিয়াৰ সৈতে হোৱা সংঘাত শেষ হোৱাৰ পাছত ইউক্ৰেইনত জল, স্থল বা আকাশী পথেৰে সৈন্য নিয়োগ কৰিবলৈ অংগীকাৰবদ্ধ হৈছে।

ইউক্ৰেইনক সমৰ্থন কৰা ৩৫খন দেশৰ সন্মিলনৰ পাছত ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁই এই ঘোষণা কৰে।

শ্ৰীমেক্ৰঁই কয় যে ইয়াৰে ২৬খন দেশে ইউক্ৰেইনত সৈন্য নিয়োগ কৰিবলৈ নাইবা জল, স্থল বা আকাশত উপস্থিতি নিশ্চিত ৰাখিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হৈছে। ই যুদ্ধবিৰতি বা শান্তিৰ পাছত দেশখনৰ নিৰাপত্তা শক্তিশালী কৰাত সহায়ক হ'ব।

ইয়াৰ পূৰ্বে মেক্ৰঁ আৰু ইউৰোপৰ অন্যান্য নেতাসকলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ'ল'ডিমিৰ জেলেনস্কি আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ শান্তি দূত ষ্টিভ উইটকফক সাক্ষাৎ কৰে। সাক্ষাৎকালত সংঘাতৰ পাছত দীৰ্ঘম্যাদী সামৰিক সমৰ্থন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সমৰ্থন অব্যাহত ৰখাৰ বিষয়ে আলোচনা কৰা হয়।

শ্ৰীমেক্ৰঁই লগতে কয় যে মিত্ৰজোঁটত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈন্যবাহিনী জড়িত হোৱাটো এতিয়াও নিশ্চিত হোৱা নাই যদিও মিত্ৰজোঁটৰ প্ৰতি ৱাশ্বিংটনৰ সমৰ্থন অতি সোনকালে চূড়ান্ত হ'ব।

ooooo

বিহাৰৰ ৰাজগিৰত অনুষ্ঠিত এছিয়া কাপ হকী প্ৰতিযোগিতাৰ ছুপাৰ ফ'ৰ পৰ্যায়ৰ এখন খেলত ভাৰতে কালি মালয়েছিয়াক ৪-১ গলত পৰাস্ত কৰে। ভাৰতৰ হৈ মনপ্ৰীত সিং, সুখজিৎ সিং, ছিলানন্দ লাকৰা আৰু বিবেক সাগৰ প্ৰসাদে এটাকৈ গল দিয়ে। এই জয়ৰ সুবাদত ভাৰতে ৪ পইণ্টৰে ছুপাৰ ফ'ৰ গ্ৰুপত শীৰ্ষ স্থান লাভ কৰিছে। ভাৰত ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ পৰৱৰ্তী খেলত কাইলৈ চীনৰ সন্মুখীন হ'ব।

ooooo

ভাৰতৰ পৱন বৰতৱাল, সাক্ষী আৰু থকচোম সনামাচা চানুৱে লিভাৰপুলত অনুষ্ঠিত বিশ্ব বক্সিং চেম্পিয়নশ্বিপছত জয়লাভ কৰি অভিযান আৰম্ভ কৰে।

পুৰুষৰ ৫৫ কিলোগ্ৰাম ওজন শাখাত বৰতৱালে পেৰিছ অলিম্পিকত ভাগ লোৱা ব্ৰাজিলৰ মাইকেল ডগলাছ ট্ৰিণ্ডেডক ৩-২ ফলাফলত পৰাস্ত কৰে।

মহিলাৰ ৫৪ কিলোগ্ৰাম ওজন শাখাত সাক্ষীয়ে ইউক্ৰেইনৰ ভিক্টোৰিয়া স্কিউলক ৫-০ ফলাফলত পৰাস্ত কৰে।

মহিলাৰ ৭০ কিলোগ্ৰাম ওজন শাখান চানুৱে ডেনমাৰ্কৰ ডিটে ফ্ৰষ্টহলমৰ বিৰুদ্ধে ৪-১ ফলাফলত বিজয় সাব্যস্ত কৰে।

নৱগঠিত বিশ্ব বক্সিং পৰিষদৰ অধীনত অনুষ্ঠিত বিশ্ব চেম্পিয়নশ্বিপছৰ এই উদ্বোধনী সংস্কৰণলৈ ভাৰতে ২০ জনীয়া দল প্ৰেৰণ কৰিছে। দলৰ ১০ গৰাকী খেলুৱৈয়ে সুবিধাজনক ড্ৰ লাভ কৰিছে। ইয়াৰ ভিতৰত পুৰুষৰ ৭০ কিলোগ্ৰাম ওজন শাখাত পদক প্ৰত্যাশী হিতেশ গুলিয়াই, পুৰুষৰ ৬৫ কিলোগ্ৰাম ওজন শাখাত অভিনাশ জামৱাল, মহিলাৰ ৫১ কিলোগ্ৰাম ওজন শাখাত নিখত জাৰিন আৰু মহিলাৰ ৭০ কিলোগ্ৰাম ওজন শাখাত লাভলীনা বৰগোহাঁই অন্যতম।

প্ৰথম ৰাউণ্ডত গুলিয়া, জামৱাল আৰু লাভলিনাই বাই লাভ কৰাৰ বিপৰীতে নিখত জাৰিনে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জেনিফাৰ লোজানাৰ বিৰুদ্ধে খেলিব।

চেম্পিয়নশ্বিপছত এইবেলি প্ৰথমবাৰৰ বাবে পুৰুষ আৰু মহিলা উভয় শাখাৰ প্ৰতিযোগিতা একেলগে অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাত ৫৪৪ গৰাকীতকৈ অধিক খেলুৱৈয়ে ২০টা ওজন শাখাত অংশগ্ৰহণ কৰিছে।

০০০০০

**সমাপ্ত**